**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 02-03-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আৰু কাইলৈ গুজৰাটৰ ভালেমান কাৰ্যসূচীত অংশ ল'ব।

২। সমগ্ৰ দেশত আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আৰম্ভ হৈছে।

৩। দেশত যোৱা ফেব্ৰুৱাৰীত সংগৃহীত সামগ্ৰী আৰু সেৱা কৰ জি এছ্ টিৰ পৰিমাণ যোৱা বছৰৰ একে সময়ছোৱাৰ তুলনাত ৯ দশমিক ১ শতাংশ বৃদ্ধি পায়।

৪। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে কালি লণ্ডনত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টেমাৰক সাক্ষাৎ কৰে।

*আৰু*

৫। ভাৰত আজি ডুবাইত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তিনি দিনীয়া গুজৰাট ভ্ৰমণসূচীৰে কালি বিয়লি জামনগৰত উপস্থিত হয়। শ্ৰী মোদীয়ে আজি আৰু কাইলৈ ভালেমান অনুষ্ঠানত অংশ ল'ব। শ্ৰী মোদীয়ে আজি পশুধন উদ্ধাৰ আৰু পুনৰ্বাসন কেন্দ্ৰ ৱনতাৰা পৰিদৰ্শন কৰিব।

ইয়াৰ পাছত শ্ৰী মোদীয়ে সোমনাথ মন্দিৰত পূজা-অৰ্চনা কৰিব আৰু সোমনাথ ন্যাসৰ বৈঠকত পৌৰহিত্য কৰিব। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী এই ন্যাসৰ অধ্যক্ষৰো দায়িত্বত আছে। শ্ৰী মোদীয়ে কাইলৈ পুৱা গীৰ ৰাষ্ট্ৰীয় উদ্যানলৈ যাব। তাত তেওঁ পদেন অধ্যক্ষ হিচাপে ৰাষ্ট্ৰীয় বন্য প্ৰাণী পৰিষদৰ সপ্তম বৈঠকত অধ্যক্ষতা কৰিব। ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদত স্থল সেনাধ্যক্ষ, বিভিন্ন ৰাজ্যৰ সদস্য, বন্য প্ৰাণী ক্ষেত্ৰত কাম কৰা অনাচৰকাৰী সংস্থাসমূহৰ প্ৰতিনিধি, মুখ্য বন্য প্ৰাণী ৱাৰ্ডেন আৰু কেইবাখনো ৰাজ্যৰ সচিব সহ মুঠ ৪৭ গৰাকী সদস্য আছে।

ooooo

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আজি দিনজোৰা ভ্ৰমণসূচীৰে কেৰালালৈ যাব। এই ভ্ৰমণকালত শ্ৰী ধনখড়ে তিৰুৱানন্তপুৰমত ভাৰতীয় বিচাৰকেন্দ্ৰমে আয়োজন কৰা চতুৰ্থ পি পৰমেশ্বৰম স্মাৰক বক্তৃতা প্ৰদান কৰিব।

ooooo

সমগ্ৰ দেশত আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আৰম্ভ হৈছে। ইছলাম ধৰ্মাৱলম্বী লোকসকলে এই মাহটোত নিশা **টাৰাৱি**ৰ নামজ পঢ়ে। পৱিত্ৰ ৰমজান মাহৰ অন্তত ঈদ-উল-ফিটৰ উদযাপন কৰা হ'ব।

পাৰশ্ব উপসাগৰীয় দেশসমূহত ৰমজান মাহ কালি আৰম্ভ হৈছে।

০০০০০

দেশত যোৱা ফেব্ৰুৱাৰীত সংগৃহীত সামগ্ৰী আৰু সেৱা কৰ জি এছ্ টিৰ পৰিমাণ যোৱা বছৰৰ একে সময়ছোৱাৰ তুলনাত ৯ দশমিক ১ শতাংশ বৃদ্ধি এক লাখ ৮৪ হাজাৰ কোটি টকা হয়। দেশত ফেব্ৰুৱাৰীকে ধৰি বিগত ১২ মাহত এক লাখ ৭০ হাজাৰ কোটিৰো অধিক টকাৰ জি এছ্ টি সংগ্ৰহ হৈছে। প্ৰাপ্ত তথ্য অনুসৰি এই সময়ছোৱাত কেন্দ্ৰীয় জি এছ্ টি হিচাপে ৩৫ হাজাৰ ২০৪ কোটি, ৰাজ্যিক জি এছ্ টি হিচাপে ৪৩ হাজাৰ ৭০৪ কোটি, সংহত জি এছ্ টি হিচাপে ৯০ হাজাৰ ৮৭০ কোটি আৰু ক্ষতিপূৰণ উপকৰ ১৩ হাজাৰ ৮৬৮ কোটি টকা সংগৃহীত হয়। ফেব্ৰুৱাৰীত ২০ হাজাৰ ৮৮৯ কোটি টকাৰ ৰিফাণ্ড জাৰি কৰা হয়। ৰিফাণ্ড বাদ দি ফেব্ৰুৱাৰী মাহত ক্ষুদ্ধ জি এছ্ টি সংগ্ৰহ ৮ দশমিক ১ শতাংশ বৃদ্ধি পাই প্ৰায় এক লাখ ৬৩ হাজাৰ কোটি টকা হয়।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীত অনুষ্ঠিত এখন বৈঠকত মণিপুৰৰ নিৰাপত্তা পৰিস্থিতিৰ পৰ্যালোচনা কৰে। শ্ৰী শ্বাহে সংশ্লিষ্ট কৰ্তৃপক্ষক অহা ৮ মাৰ্চৰ পৰা ৰাজ্যখনৰ সকলো বাট-পথতে যাতে জনসাধাৰণে মুক্তভাৱে চলাফুৰা কৰিব পাৰে সেইটো নিশ্চিত কৰাৰ নিৰ্দেশ দিছে। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত শ্ৰী শ্বাহে বাট-পথত অসুবিধাৰ সৃষ্টি কৰা লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰো নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে মণিপুৰৰ আন্তঃৰাষ্ট্ৰীয় সীমাৰ লগতে নিৰ্দিষ্ট প্ৰৱেশ পথৰ দুয়োকাষে অতি সোনকালে বেৰ নিৰ্মাণ কৰাৰো নিৰ্দেশ দিয়ে। বৈঠকত শ্ৰী শ্বাহে কয়, যে নৰেন্দ্ৰ মোদী চৰকাৰে মণিপুৰত শান্তিৰ পৰিৱেশ ঘূৰাই অনাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু ইয়াৰ বাবে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

বৈঠকত গৃহ সচিব গোবিন্দ মোহন, চোৰাংচোৱা ব্যু'ৰ সঞ্চালক তপন কুমাৰ ডেকা আৰু অন্যান্য শীৰ্ষ বিষয়া উপস্থিত আছিল। ৰাজ্যখনত যোৱা মাহত ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰাৰ পাছত এইখন হৈছে এনেধৰণৰ প্ৰথমখন বৈঠক।

০০০০০

ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত প্ৰদূষণ নিয়ন্ত্ৰণ কৰাৰ অৰ্থে দিল্লী চৰকাৰে ১৫ বছৰ পুৰণি বাহনসমূহত ৩১ মাৰ্চৰ পাছত তেল ডিপোত ইন্ধন যোগান নধৰাৰ সিদ্ধান্ত লৈছে। দিল্লীৰ পৰিৱেশ মন্ত্ৰী মনজিন্দৰ সিং ছিৰছাই বায়ু প্ৰদূষণ সমস্যা সম্পৰ্কে বিষয়াসকলৰ সৈতে হোৱা বৈঠকৰ অন্তত প্ৰদূষণ ৰোধ কৰাৰ বাবে বিভিন্ন ব্যৱস্থাৰ কথা ঘোষণা কৰে। এই বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ সৈত হোৱা কথা-বতৰাত শ্ৰী ছিৰছাই কয়, যে চৰকাৰে ১৫ বছৰ বা ইয়াৰ অধিক পুৰণি বাহনসমূহ চিনাক্ত কৰাৰ বাবে তেল ডিপো সমূহত যন্ত্ৰ স্থাপন কৰিব। মন্ত্ৰীগৰাকীয়ে কয়, যে এনে বাহনসমূহ চিনাক্তকৰণৰ লগতে মহানগৰখনত প্ৰৱেশ আৰু প্ৰস্থানত বাধা দিয়া অৰ্থে এটা গোট গঠন কৰা হ'ব।

০০০০০

ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কিয়ে কালি লণ্ডনত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টেমাৰক সাক্ষাৎ কৰে। এই বৈঠকত ব্ৰিটেইনে দেশখনক ২৮০ কোটি ডলাৰ ঋণ দিবলৈ সন্মতি প্ৰকাশ কৰে। এই ঋণৰ ধনৰাশিৰে ইউক্ৰেইনৰ প্ৰতিৰক্ষা সামৰ্থ বৃদ্ধি হ'ব বুলি ৰাষ্ট্ৰপতি জেলেনস্কিয়ে প্ৰকাশ কৰে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সৈতে হোৱা সাক্ষাতৰ এদিন পাছতেই এই বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীয়ে

ইউক্রেইনত চলি থকা সংঘাটৰ সময়ছোৱাত দেশখনক সমৰ্থন কৰি যাব বুলি প্ৰতিশ্ৰুতি দিয়ে। তেওঁ লগতে ইউক্ৰইনত স্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাবে কাম কৰাৰ ক্ষেত্ৰত ব্ৰিটেইনৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰে। ইপিনে ইউক্রেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিয়ে ব্ৰিটেইনক এই সহায়ৰ বাবে কৃতজ্ঞতা জনায়। আজি জেলেনস্কিয়ে ৰজা তৃতীয় ছাৰ্লছৰ লগতে ইউৰোপীয় সহযোগীসকলৰ এটা গোটৰ সৈতে বৈঠকত মিলিত হয়। ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নি আৰু আন নেতাসকলে ইউক্রেইনৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে বৈঠকত মিলিত হয়। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কেইৰ ষ্টেমাৰে ইউৰোপীয় শীৰ্ষ সন্মিলনৰ বাবে আজি ইউৰোপীয় নেতাসকলক লণ্ডনলৈ আমন্ত্ৰণ জনাইছে। এই শীৰ্ষ সন্মিলনলৈ ফ্ৰান্স, জাৰ্মানী, ডেনমাৰ্ক, নেডাৰলেণ্ড, নৰৱে, পোলেণ্ড. স্পেইন, তুৰস্ক, ফিনলেণ্ড, ছুইডেন, চেক গণৰাজ্য আৰু ৰোমানিয়াৰ নেতাসকলৰ লগতে ইউৰোপীয় পৰিষদ আৰু ইউৰোপীয় আয়োগৰ অধ্যক্ষ তথা নাটোৰ সচিব প্ৰধানক আমন্ত্ৰণ জনোৱা হৈছে।

ooooo

বলিভিয়াৰ ঘাইপথত কালি সংঘটিত এটা বাছ দুৰ্ঘটনাত দুটি শিশুকে ধৰি ৩৭ জন লোকৰ মৃত্যু হয়। অৰুৰো মহানগৰ অভিমুখী এখন যাত্ৰীবাহী বাছে বিপৰীত দিশৰ পৰা অহা আন এখন যাত্ৰীবাহী বাছত খুন্দা মৰাৰ ফলত এই শোকাবহ দুৰ্ঘটনাটো সংঘটিত হয়। উল্লেখযোগ্য যে দেশখনৰ পাহাৰীয়া পথসমূহ অতি বিপদসংকুল। চৰকাৰী তথ্য অনুসৰি দেশখনত প্ৰতিবছৰে গঢ়ে এহেজাৰ ৪০০ লোকৰ পথ দুৰ্ঘটনাত মত্যু হয়।

ooooo

ইজৰাইল আৰু হামাছৰ মাজত যুদ্ধ বিৰতিৰ পৰ্যায়ৰ কালি সামৰণি পৰে। প্ৰথম পৰ্যায়ৰ যুদ্ধ বিৰতিৰ ম্যাদ বৃদ্ধি কৰাৰ বাবে ইজৰাইলে দিয়া প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি হামাছে কৈছে যে, দ্বিতীয় পৰ্যায়ৰ যুদ্ধ বিৰতিৰ বাবে কোনো ধৰণৰ আলোচনা হোৱা নাই। ইয়াৰ পাছতে যুদ্ধ বিৰতিৰ আলোচনাৰ বাবে ইজিপ্তলৈ যোৱা ইজৰাইলৰ প্ৰতিনিধিবৰ্গ কাইৰোৰ পৰা উভতি আহিছে।

প্ৰথম পৰ্যায়ৰ যুদ্ধ বিৰতি ১৯ জানুৱাৰীত আৰম্ভ হৈছিল আৰু এই চুক্তিৰ অংশ হিচাপে ইজৰাইলে এহেজাৰ ৯০০ জন পেলেষ্টাইনী কয়দীক মোকলাই দিছে আৰু ইয়াৰ বিনীময়ত হামাছে ৩৩ জন ইজৰাইলী পণবন্দীক মুকলি কৰি দিছে।

ooooo

ভাৰত আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। দুয়োটা দলে ইতিমধ্যে গ্ৰুপ এৰ পৰা ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে গ্ৰুপ এৰ পইণ্ট তালিকাত শীৰ্ষ স্থান লাভ কৰিব আৰু মঙলবাৰে ছেমিফাইনেলত অষ্ট্ৰেলিয়াৰ সন্মুখীন হ'ব। পৰাজিত দলটো বুধবাৰে ছেমিফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

দক্ষিণ আফ্ৰিকাই যোৱা নিশা কৰাচীত অনুষ্ঠিত গ্ৰুপ বিৰ লীগ পৰ্যাৰ অন্তিমখন খেলত ইংলেণ্ডক ৭ উইকেটত পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে। এই জয়ৰ সুবাদত দক্ষিণ আফ্ৰিকাই অকল ফাইনেলত প্ৰৱেশ কৰাই নহয়, বৰং গ্ৰুপ বিৰ পইণ্ট তালিকাতো শীৰ্ষ স্থান দখল কৰে। ইয়াৰ পূৰ্বে ইংলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আৰম্ভণিৰে পৰাই সংঘৰ্ষ কৰিবলগীয়া হয়। খেলখনৰ প্ৰথম অভাৰৰ অন্তিমটো বলত অপেনাৰ

ফিলিপ ছল্ট আউট হয় আৰু ইয়াৰ পাছৰে পৰা দলটোৱে নিয়মীয়া ব্যৱধানত উইকেট হেৰুৱালে লয়। ইংলেণ্ডৰ হৈ জ' ৰুটে সৰ্বাধিক ৩৭ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ মাৰ্কো জেনছেন আৰু ৱিয়ান মাল্ডাৰে তিনিটাকৈ উইকেট দখল কৰে। ইংলেণ্ডে ৩৮ অভাৰ আৰু ২ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৭৯ ৰান কৰে।

প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ২৯ অভাৰ আৰু এটা বলত ৩ টা উইকেটৰ বিনিময়ত ১৮১ ৰান কৰে।

০০০০০

মহিলা প্ৰিমিয়াৰ লীগ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ডেলহি কেপিটেলছে ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুক ৯ উইকেটত পৰাস্ত কৰে। ১৪৮ ৰানৰ লক্ষ্যৰে খেলা ডেলহি কেপিটেলছে ১৫ অভাৰ আৰু ৩ টা বলত বিজয় সাব্যস্ত কৰে। ডেলহি কেপিটেলছৰ হৈ জেছ জ'নাছন আৰু ছেফালী বাৰ্মাই ১৪৬ ৰানৰ বৰঙণি আগবঢ়ায়। ৪৩ টা বলৰ বিনিময়ত ৮০ ৰানৰ বৰঙণি আগবঢ়োৱা ছেফালী বাৰ্মাক প্লেয়াৰ অব দ্যা মেটচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত ১৪৭ ৰান কৰে। বেংগালুৰুৰ হৈ ইলিছ পেৰিয়ে ৪৭ টা বলত ৬০ ৰান কৰে।

০০০০০

ভাৰতৰ য়ুকি ভাম্ব্ৰি আৰু অষ্ট্ৰেলিয়াৰ এলেক্সি প'পিৰিনৰ যুটীটোৱে ডুবাই টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ খিতাপ দখল কৰিছে। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ যুটীটোৱে যোৱা নিশা ফাইনেলত ফিনলেণ্ডৰ হেৰি হেলিয়োভাৰা আৰু ব্ৰিটেইনৰ হেনৰি পেটেনৰ যুটীটোক ৩-৬, ৭-৬, ১০-৮ ছেটত পৰাস্ত কৰে। এয়া হৈছে য়ুকি ভাম্ব্ৰিৰ এ টি পি ডাবলছ প্ৰতিযোগিতাৰ চতুৰ্থ খিতাপ। ইয়াৰ পূৰ্বে য়ুকি আৰু এলেক্সিৰ যুটীটোৱে ছেমিফাইনেলত ব্ৰিটেইনৰ জেমি ম'ৰে আৰু অষ্ট্ৰেলিয়াৰ জ'ন পিয়াৰ্ছোৰ যুটীটোক পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছিল।

০০০০০

সমাপ্ত